# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV  YEAR OF OUR LORD JESUS CHRIST, 2024 DECEMBER  No. 06


### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক
প্ৰভুৰ প্ৰশংসা হওঁক !

**লুক ১:২৮-৩৫**

২৮। তাতে দূতে তেওঁৰ ওচৰলৈ আহি ক'লে, 'হে মহা অনুগ্ৰহ পোৱা কন্যা, তোমাৰ মঙ্গল হওক! প্ৰভু তোমাৰ লগত আছে।

২৯। কিন্তু এই কথা শুনি মৰিয়মৰ উগুল-থুগুল লাগিল আৰু আচৰিত হৈ ভাবিলে ই কেনে মঙ্গলবাদ!"

৩০। স্বৰ্গৰ দূতে তেওঁক ক'লে, "হে মৰিয়ম, ভয় নকৰিবা; কিয়নো তুমি ঈশ্বৰৰ দ্বাৰা অনুগ্ৰহ পালা।

৩১। চোৱা, তুমি গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিবা আৰু তেওঁৰ নাম যীচু থবা।

৩২। তেওঁ মহান হ'ব, আৰু সৰ্বোপৰি জনৰ পুত্ৰ বুলি প্ৰখ্যাত হ'ব। প্ৰভু পৰমেশ্বৰে তেওঁৰ পূৰ্বপুৰুষ দায়ূদৰ সিংহাসন তেওঁক দিব।

৩৩। যাকোবৰ বংশৰ ওপৰত তেওঁ চিৰকাল ৰাজত্ব কৰিব আৰু তেওঁৰ ৰাজ্যৰ কেতিয়াও অন্ত নহ'ব।

৩৪। তেতিয়া মৰিয়মে স্বৰ্গৰ দূতক ক'লে, "ই কেনেকৈ সম্ভৱ হ'ব পাৰে? কাৰণ মই এজনী কুমাৰী।"

৩৫। তেতিয়া স্বৰ্গৰ দূতে উত্তৰ দি তেওঁক ক'লে, "পবিত্ৰ আত্মা তোমাৰ ওপৰলৈ আহিব আৰু সৰ্বোপৰি ঈশ্বৰৰ শক্তিয়ে তোমাক ছাঁ দি ধৰিব। এই হেতুকে পবিত্ৰ গৰ্ভফলৰ নাম ঈশ্বৰৰ পুত্ৰ বুলি প্ৰখ্যাত হ'ব।

# খ্ৰীষ্টত ঈশ্বৰৰ শান্তি !

## বৰদিনৰ সত্য আত্মাক আলিঙ্গণ কৰোহক

THE PEACE OF GOD IN CHRIST! Embracing the True Spirit of Christmas!



*মাননীয় প্ৰধান সম্পাদক, ৰেভা. এঞ্জেলীন ছেলভাকুমাৰী*



ছুটীৰ ঋতু বিস্তৃত হোৱাৰ সময়ত, এই পৃথিৱীখনক পোহৰৰ ঝলক, আনন্দৰ গীতেৰে, উৎসৱক প্ৰাণৱন্তৰে অলংকৃত কৰা হয়। তথাপি এই উৎসৱসমূহ পালনৰ সময়ত শান্তি, সুস্থ আৰু আশাৰ বাবে এটা গভীৰ আকাংক্ষা মানুহৰ হৃদয়ত লাগি থাকে। বৰদিন যীচু খ্ৰীষ্টৰ জন্মৰ উৎসৱ পালনৰ দিন, শান্তিৰ ৰূপান্তৰ মূলক বাৰ্তা প্ৰদান কৰে যিয়ে পৰম্পৰাগত উৎসৱক অতিক্ৰম কৰে। খ্ৰীষ্টৰ যোগেদি আমি কেৱল যে ঋতুটিৰ আনন্দ পাওঁ তেনে নহয়, কিন্তু এটা গভীৰ শান্তি পাওঁ যিয়ে আমাক সুস্থ কৰে আৰু পাপ, লাজৰ পৰা উদ্ধাৰ কৰে আৰু এটি ভঙ্গা জগতৰ উদ্বেগৰ পৰা উদ্ধাৰ কৰে।

### খ্ৰীষ্টৰ জন্মত শান্তিৰ বাৰ্তা !

মথি আৰু লুকে লিখা শুভবাৰ্তাত বৰদিনৰ কাহিনীক চিত্ৰ বৰ্ণন কৰা হৈছে, মানৱতাৰ বাবে আশাৰ এটি নতুন প্ৰভাত আগমনক ঘোষণা কৰে। স্বৰ্গদূতসকলে মেৰৰখীয়াসকললৈ ঘোষণা কৰি ক'লে, "উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা আৰু পৃথিৱীত তেওঁৰ প্ৰীতিৰ পাত্ৰ মানুহসকলৰ মাজত

৪ পৃষ্ঠাত চাওঁক




ইখ অফ হীজ কল

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




REACHING NATIONS

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

"যিসকলে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰে, সত্যৰে তেওঁৰ আগত প্ৰাৰ্থনা কৰে, যিহোৱা সেই সকলো লোকৰে ওচৰ।" – গীতমালা ১৪৫:১৮।

খ্ৰীষ্ট যীচুত মোৰ প্ৰিয়সকল,

যি নাম সকলো নামৰ ওপৰত আছে, সেই আটাইতকৈ আচৰিত প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত আমি আপোনালোকৰ শুভেচ্ছা জনাবলৈ ডাঙৰ সুযোগ পাইছো।

হয়, প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহৰ দ্বাৰাই আমি নিৰাপত্তাত আছো। ঈশ্বৰে তেওঁৰ শক্তিৰ যোগেদি আমাৰ সহকৰ্মীসকলক স্পৰ্শ কৰিছে আৰু তেওঁলোকক বিভিন্ন ৰোগ আৰু মানসিক যন্ত্ৰণাৰ পৰা সুস্থ কৰিছে।



### মহিলাসকলৰ বাবে বিশেষ শিবিৰ

যোৱা ২০২৪ চনৰ ১৯ অক্টোবৰ মাহত ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই মহিলাসকলৰ বাবে এখন বিশেষ শিবিৰ সভাৰ আয়োজন কৰিছিলো। আমাৰ প্ৰধান সম্পাদক, ভনী এঞ্জেলিনা ছেলভা কুমাৰীয়ে প্ৰভুৰ বাৰ্তা আনিছিল। যি মহিলাসকল সভাত উপস্থিত আছিল তেওঁলোকৰ ব্যক্তিগত জীৱনত আৰু পৰিয়ালবৰ্গৰ জীৱনত ঈশ্বৰৰ আৰোগ্য স্পৰ্শক উপভোগ কৰিলে।



### মহাবালিপুৰামত যিহোছুৱা যোদ্ধা

একে ভাৱে চেন্নাইৰ পৰা প্ৰায় ১৫০ কিঃ মিঃ মহাবালিপুৰামৰ ওচৰত এটা কেম্পত যিহোছুৱা যোদ্ধাসকলৰ নামত আমি পুৰুষসকলৰ বাবে এদিনীয়া বিশেষ কেম্পৰ আয়োজন কৰিছিলো। আমাৰ

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

নিজৰ এখন মিনি বাছৰ লগতে আন এখন বাছ ৰিজাৰ্ভ কৰিছিলো। এই কেম্পত ৭০ জন মানুহে যোগদান কৰিছিল। বিশেষ বিশেষ শিক্ষকসকলে শিক্ষা দিছিল। খেলা সময়, প্ৰাৰ্থনা সময়, সাক্ষ্য আৰু অস্বীকাৰৰ সময়ৰ অন্তৰ্ভুক্ত আছিল। কিছুমান বিশ্বাসৰ পৰা খহি যোৱা লোকসকলেও চকুলোৰে তাঁলৈ আহিছিল আৰু যীচু খ্ৰীষ্টলৈ তেওঁলোকৰ জীৱনবোৰক সমৰ্পন কৰিলে। অবিলম্বে তেওঁলোকে গীৰ্জাত উপস্থিত হ'ব আৰু পৰিচৰ্যাত অংশগ্ৰহণ কৰিব। আমি তেওঁলোকলৈ বিনামূল্যত পুৱা আহাৰ, দুপৰীয়া আহাৰ, চাহ-বিস্কুটৰ লগতে টি-চাটৰ যোগান ধৰিছিলো। অনুগ্ৰহ কৰি তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰক।

আপোনাৰ দৰে আমিও আমাৰ প্ৰেমময় ত্ৰাণকৰ্তা জীৱিত যীচু খ্ৰীষ্টৰ জন্মদিনৰ এইমাহত শুভবাৰ্তা কাৰ্যসূচী প্ৰস্তুত কৰাত ব্যস্ত হৈ আছো। আমাৰ উপহাৰ, আহাৰ, কাপোৰ, মণ্ডলীৰ কাৰ্যসূচীবোৰ আৰু পৰিদৰ্শন কাৰ্যসূচী ইত্যাদিৰ যোগেদি শুভবাৰ্তা নোপোৱা লোকসমূহৰ মাজত যোৱাৰ এইটোৱেই এটা উচিত সময়। অনুগ্ৰহ কৰি আমাৰ সহকৰ্মী সকলৰ সু-স্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰক।

যোৱা ২০২৪ বৰ্ষত যিসকল ভাই আৰু ভনীয়ে তেওঁলোকৰ প্ৰাৰ্থনা আৰু সহায়ৰ যোগেদি আমাক ধৰি ৰাখিছে, তেওঁলোকলৈ আমি কৃতজ্ঞ।

আমি সাক্ষ্য দি ক'ব পাৰো যে, আমাৰ অত্যন্ত কঠিন সময়ত ঈশ্বৰে আমাক ভয় খাব নিদিলে আৰু তেওঁ আমাৰ লগত সকলো সময়ত যাত্ৰা কৰি আছিল। তেওঁৰ লাখুটিয়ে আমাক শক্তি দিলে আমাক সান্ত্বনা দিলে... **তোমাৰ লাখুটি আৰু লাঠিয়ে মোক শান্তনা দিয়ে।** গীতমালা ২৩:৪, আমি আশা কৰো যাতে নৱবৰ্ষই তেওঁৰ সন্তানসকললৈ এটা ডাঙৰ আশীৰ্বাদ দিব।

আমি আপোনাক অতিকৈ প্ৰেম কৰো আৰু আপোনাৰ বাবে প্ৰাৰ্থনা কৰো।

**যিহোৱাই তোমালোকক আশীৰ্বাদ কৰি ৰাখক, যিহোৱাই তেওঁৰ নিজ পোহৰেৰে তোমালোকক উজ্জ্বল কৰি ৰাখক আৰু তোমালোকৰ প্ৰতি দয়ালু হওক। যিহোৱাই তোমালৈ দৃষ্টি কৰক আৰু তোমাক শক্তিদান কৰক।** — *(গনা পুস্তক ৬:২৪-২৬)*

আমি আপোনালোকক বৰদিনৰ শুভেচ্ছা আৰু নৱবৰ্ষৰ শুভেচ্ছা জনালো!

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,

**পালক এলেক্স চামচন চাম আৰু**
**এচ, চাম ছেলভা ৰাজ**
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

**************************************************

## মনোযোগ দিয়ক !

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

**************************************************

**... All continued with one accord in prayer and supplication, with the women and Mary the mother of Jesus, and with His brothers. Acts 1:14**

*We wish to pray together with Godly people of the Southern Districts of Tamil Nadu!*

## Deliverance Prayer for God's Children and World Peace!

**Place: Echo of His Call World Peace Prayer Centre,**
**Alwarcoil Junction, Vattam Road,**
**Eranial–Thuckalay Main Road,**
**Neyyoor P.O., Kanyakumari District-629 802.**

**Time : 13-12-2024**
**2nd Friday**
**10.00 A.M. to 12.00 noon**



**Pastor S. Sam Selva Raj will join with his ministerial workers.**

Pastor S. Sam Selva Raj was born and received God's calling in Kanyakumari District and he is having multifarious ministries for the past 55 years, with his Head Quarters in Chennai.

As per the revelation from God, God willing this meeting will be conducted on the second Friday of every month at 10.00 A.M. Sick will be prayed for! The Lord Jesus Christ will do wonders!!

God's children who are enabled by the Lord can join. Children of God residing far and having a burden for this prayer can pray from their respective places at the same time.

**Administrative Committee: Echo of His Call Ministries Cell: 98412 71858**

....Contd. from page 1

শান্তি!" *(লুক ২ ঃ১৪)*। এই ঘোষণাত খ্ৰীষ্টৰ জন্মৰ আনন্দৰ সৈতে মানৱতাৰ মিলন ঘটাবলৈ তেওঁ যে গভীৰ প্ৰভাৱ পেলাব তাৰে এটি আভাস।

**যিচয়াৰ ভাৱবাণীয়ে এই বাৰ্তাক ধুনীয়াকৈ বন্দী কৰি লৈছেঃ কাৰণ এটি ল'ৰা জন্মিল, আমালৈ এটি পুত্ৰ দান কৰা হ'ল; আৰু তেওঁৰ কান্ধত শাসন ভাৰ অৰ্পিত হ'ব আৰু তেওঁ আশ্চৰ্য পৰামৰ্শদাতা, পৰাক্ৰমী ঈশ্বৰ অনন্তকাল স্থায়ী পিতৃ আৰু শান্তিৰাজ নামে প্ৰখ্যাত হ'ব।যিচয়া ৯ঃ৬,ইএচভি। শান্তিৰাজ এই শিৰোনামটিয়ে পাপ ও দ্বন্দ্বৰ দ্বাৰা বিধ্বস্ত জগতত শান্তি অনাৰ বাবে যীচুৰ মিছনকে অন্তৰ্ভুক্ত কৰে।**

## ঈশ্বৰৰ শান্তি আমাৰ সহায়কৰ দৰে!

জীৱনৰ অশান্ত মুহূৰ্তত ঈশ্বৰৰ শান্তি আমাৰ আত্মাৰ বাবে এটি সহায়কৰ দৰে হৈ উঠে। পাঁচনি পৌলে ফিলিপীয়া ৪ঃ৬-৭ পদত এইদৰে লিখে, **তোমালোকে একোলৈ চিন্তা নকৰিবা, কিন্তু সকলো বিষয়তে তোমালোকৰ যাচনা, ধন্যবাদযুক্ত প্ৰাৰ্থনা আৰু নিবেদনেৰে সৈতে ঈশ্বৰৰ আগত জনোৱা হওক। তাতে সকলো বুদ্ধিতকৈ উত্তম, যি ঈশ্বৰৰ শান্তি, সেয়ে খ্ৰীষ্ট যীচুত তোমালোকৰ হৃদয় আৰু ভাৱনাক পহৰা দিব।** শান্তি হ'ল জীৱনৰ ধুমুহাৰ মাজত নিৰাপত্তা আৰু শান্ত প্ৰদান কৰে। খ্ৰীষ্টৰ যোগেদি আমাক ঈশ্বৰৰ সহযোগিতাত নিমন্ত্ৰণ কৰা হৈছেযিয়ে আমাক তেওঁৰ উপস্থিতি আৰু যত্নৰ নিশ্চয়তাক প্ৰদান কৰে। উৎসৱৰ সময়ত বা ব্যক্তিগত দুখৰ সময়ত, তেওঁৰ উপস্থিতিয়ে আমাক ধৰি ৰাখে, আমি যে অকলশৰীয়া নহওঁ তাকে মনত পেলাই দিয়ে।

## পাপ আৰু লাজৰ পৰা স্বাধীন!

বৰদিনৰ বাৰ্তাৰ ভিতৰত এটা বাৰ্তা হৈছে যীচুৰ যোগেদি আগবঢ়োৱা পাপ আৰু লাজৰ পৰা উদ্ধাৰ। মানসিকতাৰ ভগ্নতা, পাপ আৰু অপৰাধবোধৰ দ্বাৰাই চিহ্নিত হয় আৰু প্ৰায় অপৰ্যাপ্ততা আৰু লাজৰ অনুভূতিত পৰিণত হয়। যীচুৰ জন্মৰ মুক্তিৰ লক্ষ্যত ঐশ্বৰিক হস্তক্ষেপকে বুজায়। গাব্ৰিয়েল দূতে মৰিয়মক নিশ্চিত কৰিলে, কিয়নো ঈশ্বৰৰ বাবে কোনো বিষয় অসাধ্য নহয় *(লুক ১ঃ ৩৭)*। মছীহাৰ আগমন কেৱল এটা আচৰিত ঘটনাই নাছিল, কিন্তু ঈশ্বৰ আৰু মানৱতাৰ এটি নতুন নিয়ম আছিল। যীচুৱে আমাক আমাৰ পাপৰ পৰা উদ্ধাৰ কৰিবলৈ আহিছিল, মথি ১ ঃ২১ পদত এইদৰে ঘোষণা কৰিছে ঃ তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যীচু থবা। কাৰণ তেৱেঁই নিজৰ লোকক তেওঁলোকৰ পাপ সমূহৰ পৰা মুক্ত কৰিব।

পৌলে এই বাৰ্তাক শক্তিশালী কৰিছে, তেওঁ তীক্ষ্ণভাৱে ৰোমীয়া ৮ ঃ১ পদত কয় যে... এতিয়া খ্ৰীষ্ট যীচুত থকা সকলৰ কোনো দণ্ডাজ্ঞা নাই।(ইএচভি)। এই ঘোষণাটি আশা আৰু স্বাধীনতাৰ বিষয়ে আছিল। যীচুৱে আমাৰ পাপ আৰু লাজক ক্ৰুচত ল'লে, কেৱল আমাক ক্ষমাদান কৰিলে এনে নহয়, কিন্তু ঈশ্বৰৰ প্ৰিয় সন্তানৰ দৰে এটা নতুন পৰিচয় দিলে।

## ক্ষমাৰ শক্তি!

ঈশ্বৰৰ শান্তিটো খ্ৰীষ্টৰ যোগেদি আমি পোৱা ক্ষমাৰ লগত গভীৰভাৱে বন্ধা হৈ আছে। এই ক্ষমাই পাপ আৰু লাজৰ শিকলিডালক চিঙি দিয়ে আৰু আমি নতুনকৈ পোৱা স্বাধীনতাক চলায়। যিদৰে পৌলে কলচীয়া ১ঃ১৩-১৪ পদত লিখিছে, **তেৱেঁই আমাক আন্ধাৰৰ পৰাক্ৰমৰ পৰা উদ্ধাৰ কৰি নিজ প্ৰেমৰ পুত্ৰৰ ৰাজ্যত স্থানান্তৰ কৰি থ'লে তেওঁৰ সেই পুত্ৰত আমাৰ মুক্তি, পাপৰ ক্ষমা আছে।** (ইএচভি)। এই সত্যতাক গ্ৰহণ কৰিলে আমাক অতীতৰ বোজাৰ পৰা মুক্তি কৰি দিয়ে, অপৰাধৰ বোজাক গুচাই দিলে আৰু আমাক বৰ্তমানত সম্পূৰ্ণভাৱে চলিবলৈ সমৰ্থ কৰে। গতিকে বৰদিন সেই স্বাধীনতাৰ উৎসৱ হৈ পৰে- দৃঢ়তাৰে ঈশ্বৰৰ কাষ চপাৰ স্বাধীন, আমাৰ অতীতৰ ভুলৰ দ্বাৰাই আমাক বৰ্ণনা কৰা নহয়।

## ভগ্ন জগতত এটা আশা!

উৎসৱৰ পোহৰ আৰু আনন্দৰ ভীৰৰ মাজত বহুতে ভগ্নতাৰে মোহভঙ্গ আৰু হতাশাৰ সৈতে যুঁজি থাকে। দৈনিক জীৱনৰ পৰীক্ষাবোৰ- কঠিন সম্পৰ্ক, হিংসাৰে প্ৰভাৱিত, সম্প্ৰদায়সকল আৰু লোকচানৰ গভীৰ দুখবোৰে আনন্দৰ ঋতুক ঢাকি দিয়ে। এনে এখন জগতত, যীচু খ্ৰীষ্টৰ জন্মই আশাৰ অবিচিল সংকেত দিয়ে।

যীচুৰ উপস্থিতিয়ে মানৱতালৈ ঈশ্বৰৰ অপৰিৱৰ্তনশীল অস্বীকাৰক বুজায়। অন্ধকাৰৰ বিৰুদ্ধে তেওঁ জগতৰ পোহৰৰ দৰে জিলিকি থাকে। যোহনে ৮ ঃ১২ পদত নিশ্চিত কৰিছে, ইয়াৰ

....Contd. to page 6

তোমালোকে পবিত্ৰ উপবাস নিৰূপণ কৰা, সমাজ গোট খাবলৈ ঘোষণা কৰা। পৰিচালকসকল আদি কৰি দেশ নিবাসী আটাই লোকক গোট খুওৱাই তোমালোকৰ ঈশ্বৰ যিহোৱাৰ গৃহত যিহোৱালৈ কাতৰোক্তি কৰা। যোৱেল ১ ঃ১৪।

## এদিনীয়া উপবাস প্ৰাৰ্থনা

**পৃথিৱীৰ মণ্ডলীসমূহ আৰু সমাজসমূহৰ জাগৰণৰ বাবে**

**১৪/১২/২০২৪ দ্বিতীয় শনিবাৰে**

**পুৱা ৯-০০ বজাৰ পৰা সন্ধ্যা ৪-০০ বজালৈকে**

**চাৰ্চ অফ গড় ইণ্ডিয়া, ইখ অৱ হীজ ক'ল**

**10, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005, India**

প্ৰাৰ্থনাৰ অভিষিক্ত ঈশ্বৰৰ দাসসকল

**আমি প্ৰেমেৰে আপোনালোকক আদৰণি জনাইছো!**

আন আন চহৰৰ আৰু বিদেশৰ লোকসকলে আমাৰ ইখ অৱ হীজ ক'ল ইউটিউব টেলিকাষ্টত অনলাইন প্ৰাৰ্থনাত যোগদান কৰিব পাৰিব।

Pr. S. Sam Selva Raj　　Kamal Samson, Leader

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

**(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)**



**২০২৪ বৰ্ষৰ ১৯ ডিচেম্বৰৰ পৰা ২০২৫ বৰ্ষৰ ১৮ জানুৱাৰীলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

ডিচেম্বৰ ১৯ ঃ আমাৰ সকলো সহ-সম্পাদকসকল আৰু তেওঁলাকৰ পৰিয়ালবৰ্গৰ বাবে।

ডিচেম্বৰ ২০ ঃ আমাৰ শুভবাৰ্তা ছপাশালখন একেৰাহে চলি থকাৰ বাবে আৰু ইয়াৰ যোগ্য কৰ্মীসকলৰ বাবে।

ডিচেম্বৰ ২১ ঃ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালৰ ওপৰত নিৰাপত্তা দিয়াৰ বাবে আৰু সকলো ধৰণৰ মন্দ শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

ডিচেম্বৰ ২২ ঃ মিছন কৰ্মীসকলৰ অটুট অঙ্গীকাৰৰ বাবে।

ডিচেম্বৰ ২৩ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞা অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ ওপৰত ঈশ্বৰৰ দয়া আৰু অনুগ্ৰহ থকাৰ বাবে।

ডিচেম্বৰ ২৪ ঃ আমাৰ পৰিচৰ্যা কৰ্মীসকলৰ পৰিয়ালৰ ওপৰত ঈশ্বৰৰ প্ৰচুৰ পৰিমাণৰ আশীৰ্বাদ থকাৰ বাবে।

ডিচেম্বৰ ২৫ ঃ জগতৰ ত্ৰাণকৰ্তা, যিজনে আমাক উদ্ধাৰ কৰিবলৈ আহিছিল, সেই যীচু খ্ৰীষ্টৰ জন্ম দিনৰ বাবে।

ডিচেম্বৰ ২৬ ঃ এইবছৰ বৰদিন পালন কৰা সকলো ঠাইত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

ডিচেম্বৰ ২৭ ঃ **ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰম** আৰু দৰিদ্ৰ লোকসকলক সহায় কৰি আছে এই প্ৰভাৱশালী কাৰ্যৰ বাবে।

ডিচেম্বৰ ২৮ ঃ ২০২৪ আৰু ২০২৫ চনৰ গোটেই বছৰটোত **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ** বিশেষ সভাসমূহত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

ডিচেম্বৰ ২৯ ঃ এই গোটেই বছৰত ঈশ্বৰৰ সন্তানসকলক ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে।

ডিচেম্বৰ ৩০ ঃ এই গোটেই বছৰত খ্ৰীষ্টিয়ান অনুষ্ঠানসমূহত ফলপ্ৰসু হোৱাৰ বাবে।

ডিচেম্বৰ ৩১ ঃ ২০২৪ বৰ্যত আচৰিতভাৱে আমাৰ সকলো সহায় যোগোৱাৰ বাবে।

জানুৱাৰী ০১ ঃ আমাৰ সকলো পঢ়ুৱৈ আৰু বিশ্বজুৰি লোকসকলক সহায় আৰু আশীৰ্বাদ কৰাৰ বাবে আৰু২০২৫ বৰ্ষলৈ চলাই নিয়াৰ বাবে।

জানুৱাৰী ০২ ঃ ২০২৫ বৰ্ষৰ প্ৰতিজ্ঞাৰ বাবে, আমাৰ সকলো মণ্ডলীসমূহৰ আৰু বিশ্বাসীসকললৈ আশীৰ্বাদ অনাৰ বাবে।

জানুৱাৰী ০৩ ঃ ২০২৪ বৰ্ষত আমাৰ সকলো অনুষ্ঠানসমূহত একেৰাহে আশীৰ্বাদ অনাৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

জানুৱাৰী ০৪ ঃ বিশ্বত শান্তি আৰু মানৱতাৰ বৃদ্ধি হ'বলৈ।

জানুৱাৰী ০৫ ঃ পৃথিৱীৰ সকলো মানুহৰ সু-স্বাস্থ্যৰ বাবে আৰু নতুন ৰোগৰ পৰা ৰক্ষা পাবলৈ।

জানুৱাৰী ০৬ ঃ মণ্ডলীসমূহে মন্দ শক্তিৰ বিৰুদ্ধে স্বৰ্গীয় নিৰাপত্তা পাবৰ বাবে।

জানুৱাৰী ০৭ ঃ বিশ্বৰ যি যি নেতাসকলে মানুহৰ কল্যাণৰ বাবে কাৰ্য কৰি আছে, তেওঁলোকে স্বৰ্গীয় জ্ঞান পাবলৈ।

জানুৱাৰী ০৮ ঃ **আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজৰ আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ অধ্যক্ষ, শিক্ষকবৰ্গ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।**

জানুৱাৰী ০৯ ঃ আমাৰ পালক এচ. চাম. ছেলভা ৰাজ আৰু পৰিয়ালবৰ্গ ২০২৫ বৰ্ষত তেওঁলোকৰ ওপৰত ঈশ্বৰৰ পৰাক্ৰমী হাত থাকিবলৈ।

জানুৱাৰী ১০ ঃ দেশসমূহত শান্তি আৰু অৰ্থনৈতিকভাৱে সমৃদ্ধি হ'বলৈ।

জানুৱাৰী ১১ ঃ সকলো পৰিয়ালৰ মাজত একতা থাকিবৰ বাবে।

জানুৱাৰী ১২ ঃ এই মাহটোত আমাৰ প্ৰয়োজন সমূহক ঈশ্বৰে যোগাবলৈ।

জানুৱাৰী ১৩ ঃ আমাৰ জ্যেষ্ঠ পালকৰ আত্মজীৱনী লিখা কৃতকাৰ্যৰে শেষ হ'বলৈ।

জানুৱাৰী ১৪ ঃ গোটেই বিশ্বত পৰিচৰ্যাৰ বিস্তাৰ হ'বলৈ আৰু শুভবাৰ্তা বিলাবলৈ।

জানুৱাৰী ১৫ ঃ যুৱসকলৰ মাজত হিংসাৰ অন্ত পৰিবলৈ আৰু শুভবাৰ্তা বিলাবলৈ।

জানুৱাৰী ১৬ ঃ খ্ৰীষ্টিয়ানসকলে প্ৰভুৰ বাক্য পালন কৰিবলৈ আৰু খ্ৰীষ্টৰ দৰে চৰিত্ৰ দেখুওৱাবলৈ।

জানুৱাৰী ১৭ ঃ আমাৰ অনুষ্ঠানৰ বাবে উপযুক্ত আৰু সমৰ্পিত কৰ্মীসকলৰ বাবে।

জানুৱাৰী ১৮ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱনৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদ থাকিবৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

পাছত যীচুৱে আকৌ লোকসকলৰ লগত কথা ক'বলৈ ধৰিলে, **মই জগতৰ পোহৰ। যিজনে মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি, জীৱনৰ পোহৰ পাব।** (ইএচভি)। এই পোহৰে আশা আনে, আনকি যেতিয়া জীৱনে অতিৰিক্ত উষ্ণতা অনুভৱ কৰে।

পাঁচনি পৌলে আমাক মনত পেলাই দি কয় যে খ্ৰীষ্টত আমাৰ বিশ্বাসত আমাৰ আশা নিৰাপদে থাকে এটি আশা যিয়ে আমাৰ বৰ্তমান আৰু ভৱিষ্যত দুয়োটাকে স্পৰ্শ কৰে। ৰোমীয়া ১৫ ঃ১৩ পদত, তেওঁ প্ৰাৰ্থনা কৰে, **এতেকে আপোনালোকে যেন পবিত্ৰ আত্মাৰ শক্তিৰে আশাত উপচি পৰিব পাৰে, তাৰ বাবে আশাৰ আকৰ ঈশ্বৰে আপোনালোকক আৰু বিশ্বাস কৰাৰ সকলোকে আনন্দ আৰু শান্তিৰে পৰিপূৰ্ণ কৰক।** (ইএচভি)। এই বৰদিনৰ সময়ত যীচুৱে আনি দিয়া আশাত প্ৰতিফলিত হৈ থাকোতে, আন লোকসকলৰ লগত সেই আশাক ভগাই ল'বলৈ আমাক আহ্বান কৰিছে, যিসকলে কষ্টত আছে সেই লোকসকলে খ্ৰীষ্টত সান্ত্বনা পোৱাটো নিশ্চিত কৰিছে।

## আশাহীনৰ বাবে আশা !

বৰদিনৰ এই বাৰ্তাই আশাহীনতাৰ দ্বাৰাই যিসকল ভাৱগ্ৰস্থ হৈ আছে তেওঁলোকলৈ হাত বঢ়াইছে। অনেকে অসহায় বা অন্ধকাৰ অনুভৱ আৰু জীৱনৰ কষ্টৰ দ্বাৰাই ভাৰাক্ৰান্ত হৈ আছে। কিন্তু যিৰিমিয়া ভাববাদীয়ে আমালৈ এই প্ৰাৰ্থনাক দান দিছেঃ **মই তোমালোকৰ বিষয়ে কৰা সংকল্প ময়েই জানো, তোমালোকৰ শেষ অৱস্থাত তোমালোকক আশা দিবলৈ সেয়ে মঙ্গলৰ সংকল্প, অমঙ্গল নহয়।** *(যিৰিমিয়া ২৯ ঃ১১)*।এনআইভি।

যীচুৱে এই আশাক বাস্তৱৰূপে ৰূপায়িত কৰে, তেওঁৰ জীৱন আৰু শিক্ষাই সান্ত্বনা আৰু উদ্দেশ্য দিয়ে আৰু আমাৰ মূল্য বা শক্তিক আমাৰ পৰিস্থিতিয়ে নিৰ্ধাৰণ নকৰে। এই জগতত ইয়াৰ অৰ্থ নাপাব, এই বৰদিন বাৰ্তাই আমাক যীচুত ভৰসা ৰাখিবলৈ পৰামৰ্শ দিছে, যিজনে জীৱনৰ অন্ধকাৰ মুহূৰ্ততো আশা দিয়ে।

## এটি অস্থিৰ জগতত যীচু এজন শান্তিৰাজৰ দৰে থাকে !

আমাৰ জগতে অসংখ্য প্ৰত্যাহ্বানবোৰ বিবাদ, দৰিদ্ৰতা, অন্যায় আৰু বিভাজনৰ সন্মুখীন হয়। আমি যীচুৰ জন্মদিন পালন কৰাৰ সময়ত, আমাক মনত পেলাই দিয়া হয় যে যিসকলে হৃদয়ত সংগ্ৰাম কৰি আছে তেওঁলোকলৈ সম্বোধন কৰিবলৈ আহিছিল। যীচু কেৱল শান্তিৰ বাহক নহয়, তেওঁ ইয়াৰ গভীৰ উপাদানো হয় আৰু আমাকো আমাৰ জীৱনত শান্তি স্থাপন কৰা লোক হ'বলৈ আহবান কৰিছে। মথি ৫ঃ৯ পদত লিখিছে, **মিলনকাৰীবিলাক ধন্যচ কিয়নো পৰিচৰ্যাত, যীচুৱে বঞ্চিত লোকসমূহৰ মাজত যোৱাৰ দ্বাৰাই, দ্বন্দ্ব মিটমাট কৰাৰ দ্বাৰাই আৰু ভগ্ন হৃদয়ৰ লোকসকলক সুস্থ কৰাৰ দ্বাৰাই শান্তি স্থাপনৰ উদাহৰণ দেখুৱাইছিল।** আমাৰ সম্পৰ্কীয় আৰু সকলো সম্প্ৰদায়ৰ মাজত শান্তিক সক্ৰিয়ভাৱে অনুসৰণ কৰিবলৈ তেওঁৰ উদাহৰণে আমাক উৎসাহ দিয়ে।

## মণ্ডলীৰ ভূমিকা !

এখন অস্থিৰ জগতত খ্ৰীষ্টৰ শান্তি আনিবলৈ মণ্ডলীয়ে এটা মুখ্য ভূমিকা পালন কৰে। খ্ৰীষ্টৰ শৰীৰ হিচাপে, প্ৰকৃত বাস্তৱ পথবোৰত ঈশ্বৰৰ প্ৰেম আৰু অনুগ্ৰহ দেখুৱাবলৈ আমাক আহ্বান কৰা হৈছে। ইফিচীয়া ২ঃ ১৪-১৫ পদত পৌলে লিখিছে, **তেৱেঁই আমাৰ শান্তি, যিজনে আমাৰ উভয় পক্ষক এক কৰিলে আৰু শত্ৰুতাৰ বিভাজন প্ৰাচীৰক তেওঁৰ দেহত ভাঙিলে।**(ইএচভি) এই পাঠটিয়ে ইয়াকে ক'ব বিচাৰে যে খ্ৰীষ্টৰ যোগেদি বাধাবিলাকক ভঙা হয় আৰু একতাক স্থাপন কৰা হয়। বিভক্ত বিশ্বত, ক্ষমা আৰু পুনৰমিলনৰ উদাহৰণ দেখুৱাই মণ্ডলীয়ে আশাৰ আলোক হ'ব লাগে। আমাৰ কৰ্মবোৰে খ্ৰীষ্টই দিয়া শান্তিলৈ এক শক্তিশালী নিয়মৰ দৰে হ'ল।

## ভয়, উদ্বেগ আৰু হতাশাৰ পৰা মানৱ হৃদয়ক সুস্থ কৰা !

বহুতৰ বাবে এই ছুটীৰ সময়ত ভয়, উদ্বেগ আৰু হতাশাই অনুভৱক বঢ়াই দিয়ে। সামাজিক প্ৰতাশা আৰু ব্যক্তিগত সংগ্ৰামৰ মাজত থকা পাৰ্থক্যই গভীৰ আবেগত পেলাব পাৰে। কিন্তু যীচুৱে আমাৰ পৰিশান্ত আত্মালৈ উদ্বাৰৰ বাবে সুস্থ কৰিব পাৰে।

*....Contd. to page 8*


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

Chepauk & Santhoshapuram, Velachery Chennai.

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE REACHING NATIONS

নামভৰ্তিৰ বাবে সোনকাল কৰক ! Medium :Tamil (Part Time) Hindi (Residential) (Sponsorship Available)

ডিপ্লমা ইন থিয়ল'জি

Recognised by International Christian Leaders & Senior Pastors for the past 55 years

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

1. Prayer Service : 24 hours
2. **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
3. **BIBLECOR -** Basic Bible Courses (English, Tamil & Hindi)
4. Theological Correspondence Courses: English & Tamil
5. Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery)
6. Great Commission Partners (Network of Pastors)
7. Training Programmes – Seminars & Retreats
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday
13. **Early Morning Service : 5.30 a.m. Sunday**
14. **Preliminary Service : 8.00 a.m. Sunday**
15. **Tamil Service : 8.30 a.m. Sunday**
16. **Youth Meeting : 11.00 a.m. Sunday**
17. **Fellowship Lunch : 1.00 p.m. Sunday**
18. **Hindi Service : 4.00 p.m. Sunday**
19. **Telugu Service : 5.00 p.m. Sunday**
20. **English & Hindi Service : 6.00 p.m. Sunday**
21. Feedback Time : 7.30 p.m. Sunday
22. Women's Prayer : 5.30 p.m. Wednesday
23. Men's Prayer : 7.00 p.m. Friday
24. Discipleship Meeting : 6.00 p.m. Saturday
25. House Meetings : 6.30 p.m. Tuesday & Thursday
26. Special Holy Communion : 6.00 a.m. 1st day of each month
27. Ministers' Meeting : 6.00 p.m. First Saturday
28. Parents' Prayer : 4.00 p.m. First Sunday
29. Night Prayer : 9.30 p.m. Third Friday
30. Fasting Prayer : 9:30 a.m. Second Saturday
31. Holy Communion : Second Sunday Services
32. Youth / Kid Prayer : 10.00 p.m. daily (over phone)
33. Staff Devotion : 9.00 a.m. daily
34. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## Echo of His Call Postal Courses for candidates in India

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a Course Book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!** - Editor

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
**Echo of His Call, Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | |
|---|---|
| **Account Name** | : **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : **1023 2923 805** |
| **Bank Name** | : **STATE BANK OF INDIA** |
| **Branch** | : **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : **SBIN 0000249** |
| **SWIFT Code** | : **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**



## ব্যথতাই কৃতকাৰ্যতাৰ জখলা! MY FAILURES WERE LADDERS FOR SUCCESS!

তেওঁ আমাৰ পৰিচৰ্যাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আৰম্ভণিৰ দিনৰে পৰাই আমি ব্যক্তিগত প্ৰাৰ্থনা, দলীয় প্ৰাৰ্থনা, উপবাস প্ৰাৰ্থনা আৰু নিশাৰ প্ৰাৰ্থনাক গুৰুত্ব দি আহিছো। এই পৰিচৰ্যা মানুহৰ শক্তি বা ধনৰ শক্তি ওপৰত গঢ়ি তোলা হোৱা নাই। কিন্তু প্ৰাৰ্থনাৰ শক্তিৰ ওপৰতহে হৈছে। সেই সময়ত ঈশ্বৰে মোক শত্ৰু পক্ষীয় মানুহৰ দ্বাৰাই মোক আক্ৰমণ কৰিব দিলে আৰু কেতিয়াবা ভাল মানুহক মোক আকোৱালি ল'বলৈ দিলে। ঈশ্বৰে মোক আচৰিতভাৱে চলাই আনিলে।

যেতিয়া মই পাছলৈ ঘূৰি চাওঁ ঈশ্বৰে নজনা মানুহবিলাকৰ মাজত আৰু মোৰ পৰিচৰ্যাৰ বিৰোধ কৰা শত্ৰুপক্ষীয় লোকৰ মাজলৈ নিছিল আৰু তেওঁৰ কাৰ্য সম্পূৰ্ণ কৰালে। আমাৰ পৰিচৰ্যাৰ যোগেদি বহুত মানুহে তেওঁলোকৰ জীৱনত অতি প্ৰাকৃতিক আৰু অদ্ভুত চিনবোৰ গ্ৰহণ কৰিলে।

আমাৰ গোটেই নিশাৰ প্ৰাৰ্থনা আৰু নিশাৰ প্ৰাৰ্থনাৰ ফলস্বৰূপে, বহুত মানুহে ঈশ্বৰৰ পৰা আশীৰ্বাদ পালে। গতিকে, এই প্ৰাৰ্থনাসমূহক প্ৰথম স্থান দি আয়োজন কৰিছিলো। যেতিয়া মানুহৰ সৰু গোটসমূহে এই প্ৰাৰ্থনা সভাত যোগদান কৰিছিল, আমাৰ চাৰিওফালে থকা অখ্ৰীষ্টিয়ান লোকসমূহে ধৈৰ্য্য ধৰি আছিল। কিন্তু যেতিয়া সৰহ সংখ্যক লোকসকলে যোগদান কৰিবলৈ আৰম্ভ কৰিলে, ঈশ্বৰৰ মহিমাৰ বাবে একলগ হৈ গীতগান আৰু প্ৰশংসা কৰিলে, আমাৰ ওচৰ-চুবুৰীয়াসকলে ইয়াক এক বাধা হিচাপে ল'লে।

গতিকে আমি সেই সভাসমূহ সাগৰৰ পাৰত আয়োজন কৰিবলৈ আৰম্ভ কৰিল। কিয়নো আৰাধনা কৰিবলৈ আমাৰ কোনো তেনে ঠাই নাছিল। বেছি সংখ্যক লোক যোগদান কৰা হেতুকে তাতো আমি কিছুমান সমস্যাৰ সন্মুখীন হ'লো। অধিক সংখ্যক লোকসকলৰ যোগদান কৰি ঈশ্বৰৰ দ্বাৰাই আশীৰ্বাদ পাইছিল। সেইবাবে আমি নোৱাৰাৰ স্বত্বেও সভাসমূহ আয়োজন কৰিছিলো। ইয়ে মোৰ হৃদয়ত এক ডাঙৰ বোজা কঢ়িয়াই আনিলে।

এই সমস্যাৰ পৰা ৰেহাই পাবলৈ, মই মোৰ প্ৰাৰ্থনাৰ অংশীদাৰসকলৰ সৈতে নিশা ১২ বজালৈকে আঠু লৈ প্ৰাৰ্থনা কৰিলো। ইয়াত ঈশ্বৰক হস্তক্ষেপ কৰিবলৈ প্ৰাৰ্থনা কৰিলো। কিছুদিনৰ বাবে এটা বিবাহ ভৱনত ভাড়া দি সেই প্ৰাৰ্থনাৰ সভাসমূহ আয়োজন কৰিলো, সম্পূৰ্ণ সৰ্মপণ আৰু উৎসৰ্গিত কৰাৰ সৈতে এই প্ৰাৰ্থনা সভাসমূহ আয়োজন কৰাত ঈশ্বৰে আমাক সহায় কৰিলে।

ফলস্বৰূপে কোনোৱেও আমাক দয়া নকৰা স্বত্বেও প্ৰাৰ্থনা সভাসমূহ আয়োজন কৰিবৰ বাবে ঈশ্বৰে আমাক এখন নিজ গৃহ দিলে। চাওক ঈশ্বৰ যে কিমান মহান? সেই জয়ৰ লক্ষ্যত উপনীত হ'বলৈ বহুত বছৰ ল'লে আৰু আমি অশেষ পৰিশ্ৰম কৰি ধৈৰ্য্যৰে অপেক্ষা কৰিলো।

মোৰ প্ৰিয় পাঠকসকল, সেই সকলো কাৰ্য ঈশ্বৰে তৎক্ষণাত নকৰে। ঈশ্বৰে আমাৰ ধৈৰ্য্য আৰু প্ৰাৰ্থনাৰ নিৰন্তৰ আত্মাক বিচাৰে। গতিকে ঈশ্বৰে আপোনাক উচিত সময়ত উত্তৰ দিব। তেতিয়ালৈকে তেওঁৰ পৰাক্ৰমী হাতৰ অধীনত নম্ৰ হৈ থাকক। **“আৰু ঈশ্বৰে উপযুক্ত সময়ত তোমালোকক যেন উন্নত কৰে এই কাৰণে নিজক তেওঁৰ পৰাক্ৰমী হাতৰ অধীনত নত কৰা”** (১ পিতৰ, ৫ঃ৬)

....Contd. from page 6

### ঈশ্বৰৰ উপস্থিতিক নিশ্চিত কৰক!

উদ্বেগৰ সময়ত, ঈশ্বৰে আমাক তেওঁৰ উপস্থিতিক বিচাৰিবলৈ আহ্বান কৰে। গীতমালা ২৩ঃ৪ পদত দায়ুদে কয়, **এনে কি, মই মৃত্যুছায়াৰ উপত্যকায়েদি চলিলেও মই কোনো আপদলৈ ভয় নকৰো, কিয়নো তুমি মোৰ সঙ্গত আছা।** (ইএচভি) ঈশ্বৰৰ উপস্থিতিৰ এই নিশ্চিতকৰণে আমি আমাৰ সংগ্ৰামত অকলে নাইবুলি মনত পেলাই দিয়ে।

ইয়াৰ বাদেও, ১ পিতৰ ৫ঃ৭ পদত, কয় **আপোনালোকৰ চিন্তাৰ ভাৰ তেওঁৰ ওপৰত পেলাই দিয়ক, কিয়নো আপোনালোকৰ বাবে তেওঁ চিন্তা কৰে।** (এনআইভি)। এনে কোনো গধুৰ বোজা নাই যাক তেওঁ কঢ়িয়াব নোৱাৰে। আমাৰ ভয় আৰু উদ্বেগক ঈশ্বৰলৈ গতাই দিয়াৰ দ্বাৰাই, আমি গভীৰ শান্তি আৰু তেওঁৰ শান্তিৰ সঞ্চাৰণৰ অভিজ্ঞতা পাওঁ।

### যীচুৰ যোগেদি আৰোগ্য!

যীচুৱে ভগ্ন হৃদয়ক সুস্থ কৰে আৰু পীড়িতক উদ্ধাৰ কৰে। আমাৰ হতাশাৰ সময়ত, আমি তেওঁক আমাৰ শক্তিৰ উৎস হিচাপে তেওঁলৈ ঘূৰি যাব পাৰো। যিচয়া ৬১ঃ১ পদত, **ভাৱবাদীজনে কয়, প্ৰভু যিহোৱাৰ আত্মা মোত স্থিতি লৈছে, কাৰণ যিহোৱা মোক অভিষিক্ত কৰিলে। লোকসকলৰ আগত শুভৰ্বাতা প্ৰচাৰ কৰিবলৈ, ভগ্ন চিতিত্তীয়াসকলক সুস্থ কৰিবলৈ, বন্দীত্বত থকাসকলৰ আগত মুক্তিৰ কথা ঘোষণা কৰিবলৈ আৰু বন্দীশালত থকা সকলক মুকলি কৰিবলৈ।** (ইএচভি)

এই প্ৰতিজ্ঞা আবেগপূৰ্ণ, আধ্যাত্মিক আৰু শাৰীৰিক সুস্থতাক বিস্তাৰিত কৰে। খ্ৰীষ্টৰ ফালে চাই আমি জানো যে তেওঁ আমাৰ যন্ত্ৰণাক বুজে। তেওঁৰ চৰণত আমাৰ বোজাবোৰক পেলাই

দিবলৈ আমাক আহ্বান কৰে আৰু তাৰ বিনিময়ত আমি উদ্ধাৰ আৰু শান্তি পাওঁ।

## যীচু ঃ শান্তিৰ চূড়ান্ত উৎস !

যেতিয়া আমি জীৱনৰ জটিলতাক চাওঁ, তেতিয়া এইটো চিনি পোৱাটো আৱশ্যক যে যীচুৱেই শান্তি চূড়ান্ত উৎস। অশান্তিৰ মাজত কেৱল তেওঁ শান্তি দিয়ে এনে নহয় কিন্তু অনন্তকলীয়া আশাৰ মূল ভেটি দিয়ে।

## দৈনিক জীৱনত শান্তি গ্ৰহণ কৰক !

এই শান্তিৰ অভিজ্ঞতা পাবলৈ হ'লে প্ৰাৰ্থনা, শাস্ত্ৰপাঠ আৰু সহভাগিতাৰ যোগেদি আমি খ্ৰীষ্টৰ সৈতে থকা সম্পৰ্কক প্ৰতিপালন কৰিব লাগিব। **যি যি সত্য আদৰণীয়, ন্যায়, শুদ্ধ, প্ৰেমময় আৰু সুখ্যাতিযুক্ত যিকোনো সদ্‌গুণ আৰু যিকোনো প্ৰশংসাযুক্ত সেইবোৰ বিষয় আলোচনা কৰক।** (ফিলিপীয়া ৪ঃ৮)। (ইএচভি)। এই গুণসমূহৰ ওপৰত মন দি আমি আমাৰ দৈনিক জীৱনত ঈশ্বৰৰ শান্তিক আদৰণি জনাও।

গালাতীয়া ৫ঃ২২-২৩, ইয়াত পৌলে আত্মাৰ ফলসমূহৰ বিষয়ে কৈছে, য'ত শান্তিকো অন্তৰ্ভুক্ত কৰিছে। আমি যেতিয়া আত্মাত চলি যাওঁ আৰু ঈশ্বৰলৈ সমৰ্পণ কৰো, আমি স্বাভাৱিকতে আমাৰ কথা-বতৰা আৰু পছন্দবোৰত এই শান্তিক ব্যৱহাৰ কৰো। শান্তি কেৱল এটা নহয় কিন্তু জীৱনৰ এটা পথ হৈ যায়। আমাৰ প্ৰেম আৰু আনবিলাকৰ প্ৰতি দয়া কৰাৰ যোগেদি প্ৰকাশ কৰো।

## শান্তিৰ উপহাৰক ভগাই লোৱা !

আমি যিদৰে খ্ৰীষ্টৰ ৰূপান্তৰিত শক্তিৰ অভিজ্ঞতা পাইছো তাক আমি এই জগতক জনাবলৈ আমাক আহ্বান কৰা হৈছে। বিভাজন আৰু অশান্তিৰ দ্বাৰাই চিহ্নিত আশালৈ এটি নিয়ম হৈ উঠে। এই বৰদিনত, আমাৰ আশে-পাশে ঈশ্বৰৰ শান্তিৰ অভিজ্ঞতা পাবলৈ আহক আমি আনলোকক নিমন্ত্ৰণ কৰোহঁক।

## শেষত !
## বৰদিনৰ প্ৰকৃত আত্মা

বৰদিন এটা সাধাৰণ ছুটীৰ দিনতকৈ ডাঙৰ; ইয়াত স্বৰ্গীয় শান্তি, আশা আৰু সুস্থ অন্তৰ্ভুক্ত হৈ থাকে। যেতিয়া আমি যীচুৰ জন্মক পালন কৰো, আমাক মনত পেলাই দিয়া হয় যে, প্ৰকৃত শান্তি তেওঁৰ সৈতে থকা সম্পৰ্কতহে আছে। পাপৰ পৰা আমাৰ স্বাধীন, ভগ্নতাৰ মাজত আহ্বান এই সকলো এই সময়ৰ তাৎপৰ্য আৰু আমাৰ বুজা শক্তিক গভীৰ কৰে।

এনে এটা জগত যে প্ৰায়েই বিশৃংখল আৰু বিভাজন অনুভৱ কৰে, যীচুৱে তেতিয়া এজন আশা আৰু পূৰ্ণমিলনৰ পোহৰৰ দৰে থিয় দি থাকে। তেওঁৰ প্ৰেমৰ যোগেদি, আমি ঈশ্বৰৰ হৃদয়ক প্ৰতিফলিত কৰোঁ আৰু অশান্ত জগতত তেওঁৰ শান্তিক বিলাওঁ। আহক আমি তেওঁৰ শান্তিয়ে আমাক পৰিবৰ্তন কৰিবলৈ দিয়াৰ দ্বাৰাই আৰু আনলোকলৈ সেই শক্তিক আগবঢ়োৱাৰ দ্বাৰাই বৰদিনৰ প্ৰকৃত আত্মাক আকোঁৱালি লওঁহক।

পাঁচনি পৌলৰ বাক্যত পাঁও যে **"এতিয়া আপোনালোকৰ সকলোৰে হৃদয়ত খ্ৰীষ্টৰ শান্তি কৰ্তৃত্ব কৰক, আপোনালোকে তাৰ কাৰণেই এক শৰীৰত আমন্ত্ৰিত হ'ল; আৰু কৃতজ্ঞ হওক"** (কলচীয়া ৩ঃ১৫)। এই বৰদিনে খ্ৰীষ্টত শিপা ধৰাদি থকা শান্তিলৈ আমাক লৈ যাওক, আৰু এই পৃথিৱীৰ প্ৰয়োজনৰ সময়ত ইয়াক জনাবলৈ শক্তি দিয়ক।

************


## তৎকালীন প্ৰয়োজন

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি দ্ৰুতগতিত বিস্তাৰ হৈ আছে। আমাৰ পৰিচৰ্যা মনৰ, সমৰ্পিত আৰু বিশ্বাসী পুৰুষ আৰু মহিলাসকলৰ প্ৰয়োজন। তলত উল্লেখ কৰা পদসমূহৰ বাবে -**

- কেন্দ্ৰ মণ্ডলীৰ বাবে সম্পূৰ্ণ সময়ৰ সহকাৰী পালক।
- চেন্নাইত শাখা মণ্ডলীসমূহৰ বাবে সম্পূৰ্ণ সময় সহকাৰী পালক।
- সম্পূৰ্ণ সময়ৰ নিৰাপত্তা বিষয়া।
- ডি.টিপি. চলোৱা লোক আৰু টাইপ কৰা লোক।
- ইংৰাজী আৰু আন আন ভাষাত কথা ক'ব পৰা আৰু লিখাত দক্ষ থকা হ'ব লাগিব।
- প্ৰশাসনত আগ্ৰহী অফিচ পৰিচালকসকল।
- সম্পূৰ্ণ সময় বাইবেল কলেজৰ প্ৰৱক্তা
- স্বেচ্ছাসেৱকসকল, যিসকলে আমাৰ পৰিচৰ্যাক উন্নত কৰিব পাৰে।
- সম্পূৰ্ণ সময় গাড়ীচালক।
- মেট্ৰিকুলেশ্বন স্কুলৰ বাবে অধ্যক্ষ আৰু শিক্ষক।
- সম্পূৰ্ণ সময় ৰান্ধনী (মহিলা)
- সম্পূৰ্ণ সময় গৃহকৰ্মী

**শিক্ষাগত অৰ্হতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি দৰমহা দিয়া হ'ব।**

**আবেদন কৰক ঃ**
হোৱাটচ্ এপ নং - 98412 71858
ই মেইল ঃ sam@echoofhiscall.org

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

E.mail : sam@echoofhiscall.org

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th DECEMBER 2024.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**